যিদিনা আল্লাহৰ (ৰহমতৰ) ছাঁৰ বাহিৰে আন কোনো ছাঁ নাথাকিব। সেইদিনা মহান আল্লাহে তেওঁৰ (আৰচৰ) ছাঁত সাত প্ৰকাৰ লোকক আশ্ৰয় প্ৰদান কৰিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিদিনা আল্লাহৰ (ৰহমতৰ) ছাঁৰ বাহিৰে আন কোনো ছাঁ নাথাকিব। সেইদিনা মহান আল্লাহে তেওঁৰ (আৰচৰ) ছাঁত সাত প্ৰকাৰ লোকক আশ্ৰয় প্ৰদান কৰিব। ন্যায়পৰায়ণ শাসক। এনেকুৱা যুৱক যাৰ জীৱন গঢ়ি উঠিছে আল্লাহৰ ইবাদতৰ মাধ্যমত। এনেকুৱা ব্যক্তি যাৰ অন্তৰ সদায় মছজিদৰ সৈতে সম্পৃক্ত থাকে। এনেকুৱা দুজন ব্যক্তি, যি দুজনে আল্লাহৰ ওৱাস্তে ইজনে সিজনক ভালপায়, আৰু আল্লাহৰ বাবেই ইজনে সিজনৰ পৰা পৃথক হয়। এনেকুৱা ব্যক্তি, যাক উচ্চ বংশীয় জীয়াগাভৰু ৰূপহী নাৰীয়ে (বাসনা পূৰণৰ বাবে) আহ্বান কৰে,
কিন্তু তেওঁ এই বুলি কৈ প্ৰত্যাখ্যান কৰে যে, মই আল্লাহক ভয় কৰোঁ। এইদৰে সেই
ব্যক্তি, যিয়ে এনেকৈ গোপনে দান কৰে যে, তাৰ সোঁহাতে যি দান কৰে সেয়া তাৰ বাওঁ হাতেও নাজানে। লগতে সেই ব্যক্তি, যিয়ে নিৰ্জনত আল্লাহক স্মৰণ কৰে আৰু তাৰ দুচকুৰে অশ্ৰু নিগৰি পৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত সাত প্ৰকাৰ মুমিন ব্যক্তিক সুসংবাদ দিছে যে, আল্লাহে তেওঁলোকক সেইদিনা তেওঁৰ আৰচৰ ছাঁৰ তলত আশ্ৰয় দিব, যিদিনা তেওঁৰ সেই ছাঁৰ বাহিৰে আন কোনো ছাঁ নাথাকিব। প্ৰথমঃ ন্যায়পৰায়ণ শাসক, যিজন সৰ্বোচ্চ কৰ্তৃত্বৰ অধিকাৰী, যিজন পাপকৰ্মত লিপ্ত নাথাকে। নাগৰিকৰ প্ৰতি ন্যায়-নীতি অৱলম্বন কৰে, অন্যায় নকৰে। এইদৰে প্ৰত্যেক সেই ব্যক্তি ইয়াৰ অন্তৰ্ভুক্ত, যিয়ে মুছলিম সমাজৰ কিবা দায়িত্বত থাকে আৰু ন্য়ায় নীতি অৱলম্বন কৰে। দ্বিতীয়ঃ এনেকুৱা যুৱক, যিয়ে নিজকে আল্লাহৰ ইবাদতৰ মাধ্যমত গঢ়ি তোলে, তথা নিজৰ যৌৱন আৰু সক্ৰিয়তা আল্লাহৰ ইবাদতত ব্যয় কৰে। অৱশেষত এই পথতে তাৰ মৃত্যু হয়। তৃতীয়ঃ এনেকুৱা ব্যক্তি, যাৰ অন্তৰ সদায় মছজিদৰ সৈতে সম্পৃক্ত থাকে। মছজিদৰ পৰা যেতিয়া তেওঁ ওলাই যায়, যিমান সোনকালে পাৰে পুনৰ মছজিদলৈ গুচি আহে, কাৰণ মছজিদৰ সৈতে তেওঁৰ গভীৰ মুহাব্বত আছে, তেওঁৰ অন্তৰ যেনিবা মছজিদত ওলমি থাকে, যদিও কাৰণবশতঃ তেওঁৰ শৰীৰ বাহিৰলৈ যায়। চতুৰ্থঃ এনেকুৱা দুজন ব্যক্তি, যিসকলে ইজনে সিজনক কেৱল আল্লাহৰ ওৱাস্তে ভাল পায়। লগতে দ্বীনি কাৰণতেই এই মুহাব্বতত অটল থাকে। দুনিয়াৱী কোনো কাৰণতে এই বন্ধুত্ব ছিন্ন নকৰে। বাস্তৱত তেওঁলোকে সাক্ষাৎ কৰক বা নকৰক। অৱশেষত মৃত্যুৱে তেওঁলোকক পৃথক কৰি দিয়ে। পঞ্চমঃ এনেকুৱা ব্যক্তি যাক এজনী ৰূপৱতী, উচ্চ বংশীয়, সম্ভ্ৰান্ত, ঐশ্বৰ্যশীল নাৰীয়ে অশ্লীল কাৰ্য্য কৰিবলৈ প্ৰস্তাৱ দিয়ে, আৰু তেওঁ সেই প্ৰস্তাৱ নাকচ কৰে, লগতে তেওঁ এই বুলি কয় যে, মই আল্লাহক ভয় কৰোঁ। ষষ্ঠঃ এনেকুৱা ব্যক্তি, যিয়ে কম হওক বা বেছি, দান কৰিলে সেই দান মানুহক দেখুৱাবলৈ নকৰে, বৰং গোপনে কৰে। আনকি তেওঁৰ সোঁ হাতে কি দান কৰিছে সেয়া তেওঁৰ বাওঁ হাতেও গম নাপায়। সপ্তমঃ এনেকুৱা ব্যক্তি যিয়ে নিৰ্জনতাত আল্লাহক অন্তৰেৰে স্মৰণ কৰে অথবা মৌখিকভাৱে জিকৰ-আজকাৰ পাঠ কৰে আৰু আল্লাহৰ ভয়ত তেওঁৰ দুয়ো চকুৰে অশ্ৰু নিগৰি পৰে।

http://www.sunnah.global/hadeeth/as/show/66234